# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-09-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*
**------------------**

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ভাৰতত থকা কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰদূত লী ছিয়ং হো আৰু এটা প্ৰতিনিধি দলক সাক্ষাৎ কৰে। দিছপুৰৰ লোকসেৱা ভৱনত এই সাক্ষাৎ কালত মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰদূতগৰাকীৰ লগতে প্ৰতিনিধি দলটোক অসমলৈ আদৰণি জনায়। এই সাক্ষাৎকালত দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে সাংস্কৃতিক আৰু অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ বিষয়ত আলোচনা কৰা হয়।

০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ বতৰত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে অক্টোবৰত নিয়মীয়া এহেজাৰ ২৫০ টকাৰ পৰিৱৰ্তে পূজাৰ বিশেষ ধন হিচাপে এহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদ মেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে সদৰি কৰি কয় যে পূজাৰ বতৰত অসম চাহ নিগম লিমিটেডৰ সমূহ কৰ্মচাৰী আৰু চাহ শ্ৰমিকক ২০ শতাংশ বনাচ প্ৰদান কৰা হ'ব। তদুপৰি দুৰ্গা পূজা উপলক্ষে নিৰ্ধাৰিত বন্ধৰ ভিতৰত ১৮ অক্টোবৰ দিনটোত দেওবাৰ হোৱা বাবে ১৭ অক্টোবৰত চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ৰাজ্যিক মন্ত্ৰীসভাই অহা মাহৰ বাবে সুলভ মূল্যৰ দোকানত ৰাজসাহায্যযুক্ত চেনি আৰু মচুৰ দাইল ১০০ টকাত বিতৰণ কৰিবলৈ অনুমোদন জনায়। তদুপৰি মহিলা আত্ম-সহায়ক গোটৰ সদস্যাসকলৰ আধাৰ পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ বাবে ২০২৭ বৰ্ষৰ ৩১ মাৰ্চলৈ এককালীন ৰেহাইত অনুমোদন জনোৱা হয়।

ইপিনে, ৰাজ্যত উৎপাদিত মছলাৰ পৰীক্ষণ আৰু প্ৰমাণিকৰণৰ সুবিধা প্ৰদানেৰে ইয়াৰ বিপণন আৰু ৰপ্তানি সহজ কৰি তোলাৰ লক্ষ্যৰে গুৱাহাটীত মছলা পৰিষদৰ অত্যাধুনিক মছলা পৰীক্ষাগাৰ স্থাপনৰ বাবেও মন্ত্ৰীসভাই অনুমোদন জনায় বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে কামৰূপত ঔদ্যোগিক ক্ষেত্ৰ স্থাপনৰ বাবে হাজো ৰাজহ চক্ৰৰ ৫০৪ বিঘা মাটি আবণ্টনৰ প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন জনাইছে। ডঃ শৰ্মাই সমাগত মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বিষয়ে উল্লেখ কৰি এই নিৰ্বাচনত ৰাজনৈতিক দলৰ প্ৰতীক ব্যৱহাৰ নহ'ব বুলি প্ৰকাশ কৰে।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া সম্পন্ন হৈছে। নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত এই ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াত

নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে। ইপিনে এই উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে।

নগাঁও লোকসভা উপ-নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া তথা জিলা আয়ুক্ত আৰণ্যক শইকীয়াই নিৰ্বাচনী বিধি অনুযায়ী প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে কোনো ধৰণৰ নিৰ্বাচনী সভা-সমিতি, শোভাযাত্ৰা, সমাবেশ আদি কাৰ্যসূচী ৰূপায়ণ নকৰিবলৈ সকিয়াই দিছে। জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে আজি এখন ৰাজহুৱা জাননীযোগে আগতীয়া অনুমতি অবিহনে কেইবাটাও ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচনী সভা আৰু সমাবেশ অনুষ্ঠিত কৰা পৰিলক্ষিত হোৱা বুলি উল্লেখ কৰে। তেওঁ প্ৰাৰ্থীৰ হাতপুথিৰ নিয়ম আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুযায়ী যিকোনো ৰাজহুৱা বা ব্যক্তিগত স্থানত নিৰ্বাচনী সভা অনুষ্ঠিত কৰিবলৈ আগতীয়া অনুমতি লোৱাৰ বিষয়ত সকলো প্ৰাৰ্থী তথা তেওঁলোকৰ প্ৰতিনিধিসকলক সকিয়াই দিয়ে। এতিয়াৰে পৰা এই নিয়ম ভংগ কৰিলে বিধিসন্মতভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলাখনত শান্তি আৰু আইন শৃংখলা অটুট ৰখাৰ বাবে জিলা প্ৰশাসনে ব্যৱস্থা লৈছে। জিলা উপ-আৰক্ষী অধীক্ষক পাৰমিতা সৰকাৰৰ নেতৃত্বত চামগুৰি বিধানসভা সমষ্টিৰ স্পৰ্শকাতৰ অঞ্চলসমূহত বিশেষ পথ নিৰীক্ষণ আৰু নিৰাপত্তাজনিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ জৰিয়তে প্ৰশাসনে অঞ্চলটোৰ সামগ্ৰিক নিৰাপত্তা সুনিশ্চিত কৰাৰ প্ৰয়াস কৰিছে।

০০০০০০

তামুলপুৰ জিলাৰ কালিপুৰত আজি ভাৰত-ভূটান সীমান্তত মাদকদ্ৰব্যৰ সৰবৰাহ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে সশস্ত্ৰ সীমাবলৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত এছ এছ বিৰ কমাণ্ডেণ্ট এইছ কে গুপ্তাই অন্ধবিশ্বাস, কুসংস্কাৰ আৰু অপপ্ৰচাৰৰ পৰা আঁতৰি নৱপ্ৰজন্মক শিক্ষাৰ দিশত আগবঢ়াই নিবলৈ আহ্বান জনায়। তেওঁ লগতে গাঁওবাসীক চৰকাৰী কল্যাণমূলক আঁচনিৰ সুবিধা গ্ৰহণ কৰি লাভান্বিত হ'বলৈও পৰামৰ্শ দিয়ে। সীমান্ত অঞ্চলত মাদকদ্ৰব্যৰ সৰবৰাহৰ কথা উল্লেখ কৰি কমাণ্ডেণ্টগৰাকীয়ে সকলো ধৰণৰ নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ আৰু সৰবৰাহৰ বিৰুদ্ধে সজাগ হৈ এনে অপৰাধৰ সৈতে জড়িত ব্যক্তিৰ তথ্য এছ এছ বিক যোগান ধৰিবলৈ আহ্বান জনায়। তেওঁ লগতে পৰিৱেশ আৰু বন্য প্ৰাণী সুৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অন্ধবিশ্বাস বশৱৰ্তী হৈ বন্য প্ৰাণীৰ অৱশেষ ঘৰত নাৰাখিবলৈ আহ্বান জনায়।

০০০০০

সমাপ্ত